**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। ভোপালত লোকমাতা দেৱী অহল্যা বাই হোল্কৰৰ ৩০০ বছৰীয়া জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। অপাৰেচন সিন্দূৰে এই কথা প্ৰমাণ কৰিছে যে, যদি কোনোবাই ভাৰতৰ প্ৰতি কু-দৃষ্টি নিক্ষেপ কৰে তেন্তে ভাৰতে সেই শত্ৰুক যথাযোগ্য প্ৰত্যুত্তৰ দিব। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি এই কথা প্ৰকাশ কৰিছে।

৩। **ফিট ইণ্ডিয়া ছানডে অন চাইকেল** কাৰ্যসূচীৰ ২৫ সংখ্যক সংস্কৰণ কাইলৈ সমগ্ৰ দেশতে বিশেষ ত্ৰিৰংগ ৰেলী হিচাপে পালন কৰা হ'ব।

*আৰু*

৪। অৰুণাচল প্ৰদেশ আৰু মিজোৰামত নেৰানেপেৰাকৈ হোৱা বৰষুণ আৰু ভূমিস্খলনৰ ফলত কেইবাজনো লোকে প্ৰাণ হেৰুৱাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগাম কাণ্ডক ভাৰতৰ নাৰী শক্তিৰ প্ৰতি প্ৰত্যাহ্বান বুলি অভিহিত কৰি এই ঘটনা কুটাঘাতকাৰীৰ  বাবে মৃত্যু ঘণ্টা সদৃশ হৈ পৰা বুলি মত প্ৰকাশ কৰিছে। ভোপালত আজি আয়োজিত এখন জনসভাত ভাষণ দি তেওঁ কয় যে ভাৰতে কোনো কাৰণতে কোনো ধৰণৰ ছাঁয়া যুদ্ধক সহ্য নকৰে আৰু এনেধৰণৰ সন্ত্ৰাসক কঠোৰভাৱে প্ৰত্যুত্তৰ দিয়াৰ প্ৰতি দেশখন সংকল্পবদ্ধ। দিনজোৰা ভ্ৰমণসূচীৰে মধ্যপ্ৰদেশলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীয়ে আজি ভোপালৰ জাম্বুৰি ময়দানত আয়োজিত লোকমাতা দেৱী অহল্যা বাইৰ ৩০০ বছৰীয়া জন্ম বাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত তেওঁ কয়, যে অপাৰেচন সিন্দূৰ ভাৰতৰ বীৰত্বৰ প্ৰতীক। সন্ত্ৰাসবাদীয়ে ভাৰতৰ মহিলাৰ ক্ষমতাক প্ৰত্যাহ্বান জনাইছিল। ভাৰতে এই প্ৰত্যাহ্বান মষিমূৰ কৰিছে। সেনাবাহিনীয়ে শত্ৰু তথা সন্ত্ৰাসবাদীৰ ঘাটিত আক্ৰমণ কৰিছিল। দেশৰ ইতিহাসত অপাৰেচন সিন্দূৰ সৰ্বশ্ৰেষ্ঠ অভিযান বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ১৪০ কোটি ভাৰতীয়ই উচিত প্ৰত্যুত্তৰ দিব বিচাৰে। সন্ত্ৰাসবাদীক সহযোগ কৰা সকলকো প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

এই অনুষ্ঠানতে শ্ৰী মোদীয়ে লোকনেতা দেৱী অহিল্যা বাই হোল্কৰ আদৰ্শৰে অনুপ্ৰাণিত কেন্দ্ৰীয় চৰকাৰ জনকল্যাণমুখী আঁচনিসমূহৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয়, যে চৰকাৰে **নাগৰিক দেবো ভবঃ** বাক্য অনুসৰণ কৰি মহিলা কেন্দ্ৰিক উন্নয়নক ৰাষ্ট্ৰীয় প্ৰগতিৰ ভেঁটি হিচাপে গঢ়ি তুলিছে। চৰকাৰী প্ৰতিটো যুগান্তকাৰী পদক্ষেপৰ কেন্দ্ৰবিন্দু মহিলা বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে অতীতত আধুনিক প্ৰযুক্তিৰ পৰা

মহিলাক আঁতৰাই ৰখা হৈছে। কৃষি প্ৰযুক্তিত বৰ্তমান মহিলাসকল বহু আগবাঢ়ি গৈছে। **নমোঃ ড্ৰোন ডিডিৰ** দৰে পদক্ষেপে মহিলাসকলৰ মনোবল আৰু আয় বৃদ্ধিত অৰিহণা যোগাইছে। বিজ্ঞান, গণিত, অভিযান্ত্ৰিক, দৰব আদি ক্ষেত্ৰতো মহিলাৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। চন্দ্ৰযান-তিনি অভিযানৰ সফলতাত ১০০ ৰো অধিক মহিলা বিজ্ঞানী তথা অভিযন্তা জড়িত থকা বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে গৌৰবেৰে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে পূৰ্বতে মহিলাসকলে প্ৰায়ে স্বাস্থ্যজনিত সমস্যা লুকুৱাই ৰখা পৰিলক্ষিত হৈছে যদিও বৰ্তমান আয়ুষ্মাণ ভাৰতৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ কেতবোৰ আঁচনিৰ বাবে এই সমস্যা দূৰ হৈছে। মহিলাসকলে এতিয়া অৰ্থনৈতিক সমস্যাৰ সন্মুখীন নহয়, যাৰ বাবে তেওঁলোকে হাস্পতাললৈ যাব পাৰে। মহিলাসকলৰ জীৱন-ধাৰণ সহজ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পানী, বিদ্যুৎ, চিলিণ্ডাৰ আদিও যোগান ধৰিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবোৰৰ দ্বাৰা মহিলাক কেৱল সুবিধা কৰি দিয়াই নহয়, বৰঞ্চ সন্মান প্ৰদৰ্শনৰো প্ৰতীক। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ বিষয়ে আলোকপাত কৰি শ্ৰী মোদীয়ে কয়, যে চাৰি কোটিৰো অধিক ঘৰ ইতিমধ্যে আৱণ্টন দিয়া হৈছে। ইয়াৰে অধিক সংখ্যকে মহিলাৰ নামত পঞ্জীয়ন কৰা হৈছে।

আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে ইন্দোৰ মেট্ৰ'ৰ ৰেল লাইনৰ সেৱা মুকিল কৰে। লগতে ৬০ কোটি টকা ব্যয় সাপেক্ষ দতিয়া বিমান বন্দৰ আৰু ৩৭ কোটি টকা ব্যয় সাপেক্ষ ছাতনা বিমান বন্দৰ উদ্বোধন কৰে। এই প্ৰকল্পসমূহে আঞ্চলিক সংযোগ বৃদ্ধি, অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত আৰু নিয়োগৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানতে এহেজাৰ ২৭১ খন অটল গ্ৰাম সেৱা সদন নিৰ্মাণৰ প্ৰথম কিস্তিৰ ধনো মুকলি কৰা হয়।

লগতে সাংস্কৃতিক মন্ত্ৰালয়ে বিশেষভাৱে যুগুতোৱা এটা ৩০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উল্লেখযোগ্য যে লোকমাতা দেৱী অহল্যা বাই হল্কাৰৰ প্ৰতি সন্মানাৰ্থে এই বিশেষ মুদ্ৰাটো প্ৰস্তুত কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই অনুষ্ঠানতেই এটা স্মাৰক ডাক টিকটো আনুষ্ঠানিকভাৱে মুকলি কৰে। আজিৰ অনুষ্ঠানত মধ্যপ্ৰদেশৰ ৰাজ্যপাল মংগুবাই পেটেল, মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ, কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং ছেখাৱটৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

অপাৰেচন সিন্দূৰে এই কথা প্ৰমাণ কৰিছে যে, যদি কোনোবাই ভাৰতৰ প্ৰতি কু-দৃষ্টি নিক্ষেপ কৰে তেন্তে ভাৰতে সেই শত্ৰুক যথাযোগ্য প্ৰত্যুত্তৰ দিব। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি জয়পুৰত বিজেপিৰ কাৰ্যকৰ্তাসকলক উদ্দেশ্যি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। অপাৰেচন সিন্দূৰৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ উচিত প্ৰত্যুত্তৰ বাবে পাকিস্তানে চাৰি দিনতে আত্মসমৰ্পণ কৰিবলগীয়া হ'ল। সেনাবাহিনীয়ে মাত্ৰ ২২ মিনিটত ৯ টা সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰে। শ্ৰী নাড্ডাই কয়, যে এই পদক্ষেপে সেনাবাহিনীৰ শক্তি, সাহস আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ দক্ষতাকে প্ৰতিফলিত কৰিছে। এতিয়া দেশবাসী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নিজকে সুৰক্ষিত অনুভৱ কৰে। শ্ৰী নাড্ডাই কয়, যে অপাৰেচন সিন্দূৰ এতিয়াও শেষ হোৱা নাই, এই অভিযান অব্যাহত থাকিব।

শ্ৰী নাড্ডাই আজি জয়পুৰৰ ৰাজস্থান আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত অনুষ্ঠিত লোকমাতা অহল্যা বাই হোলকাৰ মহিলা সৱলীকৰণ সন্মিলনতো ভাষণ দিয়ে। তেওঁ কয়, যে এগৰাকী মহান সমাজ সংস্কাৰকে ধৰ্ম উৎসাহিত কৰাৰ লগতে ভাৰতীয় সংস্কৃতিৰ সুৰক্ষা বাবে কাম কৰি গৈছিল। এইগৰাকী নিৰ্ভিক আৰু সাহসী মহিলাই নাৰী সৱলীকৰণৰ বাবে বহু ঐতিহাসিক কাম কৰি গৈছে। অনুষ্ঠানত ভাষণ দি শ্ৰী নাড্ডাই স্বাস্থ্য খণ্ডত হোৱা সংস্কাৰৰ বিষয়ে উল্লেখ কৰি

কয়, যে দেশত এক লাখ ৭৭ হাজাৰ আয়ুষ্মাণ আৰোগ্য মন্দিৰ বিকশাই তোলা হৈছে। তেওঁ লগতে কয়, যে দেশৰ এক কোটিতকৈও অধিক ৩০ বছৰ উৰ্ধৰ নাগৰিকক মধুমেহ, কৰ্কট ৰোগ আদিৰ লগতে বিভিন্ন ৰোগৰ বাবে সেৱা আগবঢ়াই থকা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি তিৰংগা যাত্ৰাতো ভাগ লয়।

০০০০০

**ফিট ইণ্ডিয়া ছানডে অন চাইকেল** কাৰ্যসূচীৰ ২৫ সংখ্যক সংস্কৰণ কাইলৈ সমগ্ৰ দেশতে বিশেষ ত্ৰিৰংগ ৰেলী হিচাপে পালন কৰা হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডাঃ মনসুখ মন্দাভিয়াই ৰাষ্ট্ৰীয় ৰাজধানীত এই বিশেষ কাৰ্যসূচীত নেতৃত্ব দিব। অলিম্পিক পদক বিজেতা য়োগেশ্বৰ দত্ত, আন্তঃৰাষ্ট্ৰীয় মল্লযুঁজাৰু সৰিতা মোৰ, প্ৰাক্তন ক্ৰিকেট খেলুৱৈ আৰু নিৰ্বাচক সবা কৰিম, বলিউডৰ অভিনেতা শৰ্‌ৱৰীকে ধৰি ক্ৰীড়া আৰু মনোৰঞ্জন জগতৰ কেইবাগৰাকীও গন্যমান্য ব্যক্তিয়ে এই কাৰ্যসূচীত ভাগ ল'ব।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, ৩ জুনত পালন কৰিবলগীয়া বিশ্ব বাইচাইকেল দিৱসৰ লগতে কাইলৈ হ'বলগীয়া এই কাৰ্যসূচীয়ে, স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত যে, গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব সেই বাৰ্তা বহন কৰাই নহয়, সশস্ত্ৰ বাহিনীৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। মন্ত্ৰালয়ে লগতে কৈছে যে, কাইলৈ হ'বলগীয়া এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় ৰাজধানীত এহেজাৰ ২০০তকৈও অধিক চাইকেল আৰোহী অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। সমগ্ৰ দেশৰ দুহেজাৰতকৈও অধিক স্থানত কাইলৈ এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে তিনি লাখতকৈও অধিক নাগৰিকে এই কাৰ্যসূচীত ভাগ লৈছে। টেনিছ তাৰকা ছানিয়া মিৰ্জা, অভিনেতা মিলন সুমনকে আদি কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই কাৰ্যসূচীলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০

অৰুণাচল প্ৰদেশ আৰু মিজোৰামত নেৰানেপেৰাকৈ হোৱা বৰষুণ আৰু ভূমিস্খলনৰ ফলত কেইবাজনো লোকে প্ৰাণ হেৰুৱাইছে। অৰুণাচলৰ পূৱ কামেং জিলাত বান আৰু ভূমিস্খলনৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হৈছে। জিলাখনৰ ১৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বানা আৰু চেপ্পাত যোৱা নিশা চেপ্পা অভিমুখী এখন বাহন ভূমিস্খলন আৰু বানে উটুৱাই নিয়াৰ ফলত বাহনখনত থকা ৭ জন লোকৰ মৃত্যু হয়। উদ্ধাৰ অভিযান ততালিকে আৰম্ভ কৰা হয় যদিও প্ৰতিকূল বতৰৰ বাবে আৰু নিশাৰ ভাগত দৃশ্যমানতা কমি যোৱাত উদ্ধাৰকাৰী দলসমূহ অসুবিধাৰ সন্মুখীন হয়। আজি পুৱাৰ ভাগত স্থানীয় লোকসকলৰ সহযোগত উদ্ধাৰকাৰী দলসমূহে পুনৰ অভিযান চলাই ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় এশ মিটাৰ তলত ধ্বংসপ্ৰাপ্ত বাহনখনৰ লগতে ৭ জন লোকক মৃত অৱস্থাত উদ্ধাৰ কৰে। আন এটা ঘটনাত নামনি সোৱনশিৰি জিলাত বানৰ ফলত দুজন শ্ৰমিকৰ মৃত্যু হয়।

মিজোৰামতো ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত এতিয়ালৈ কমেও ৫ জন লোকৰ মৃত্যু হৈছে। বানৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হোৱাৰ লগতে বহুতো লোক আৱদ্ধ হৈ থকাৰ খবৰ পোৱা গৈছে। একেদৰে মণিপুৰৰ ৰাজধানী চহৰ ইম্ফলসহ বহু অঞ্চল ভয়াবহ বানৰ কবলত পৰিছে। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই মণিপুৰৰ বান পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে।

০০০০০

বিশ্বৰ আন আন প্ৰান্তৰ লগতে ভাৰততো আজি বিশ্ব ধপাত বিৰোধী দিৱস পালন কৰা হৈছে। ধপাতমুক্ত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে প্ৰতি বছৰে বিশ্ব স্বাস্থ্য সংস্থাই এই দিৱস পালন কৰি আহিছে। অসমতো আজি বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন কৰা হয়।

০০০০০

লোক মাতা দেৱী অহল্যা বাইৰ আজি ৩০০ বছৰীয়া জন্মবাৰ্ষিকী উপলক্ষে মুম্বাইৰ ৰাজ ভৱনৰ এটা অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নাগপুৰত আয়োজন কৰা এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্নাবিজেও দেৱী অহল্যা বাইলৈ শ্ৰদ্ধা নিবেদন কৰে। দেৱী অহল্যা বাই আছিল মাৰাঠা ৰাজ্য মালৱাৰ এগৰাকী প্ৰতাপশালী আৰু শক্তিশালী শাসক। ৰাজমাতা হোৱাৰ উপৰি তেওঁ মাৰাঠা সাম্ৰাজ্যৰ ৰাণী আছিল।

০০০০০

দক্ষিণ কোৰিয়াৰ গুমীত সামৰণি পৰা চলিত বৰ্ষৰ এছিয়ান এথলেটিকছ্ চেম্পিয়নশ্বিপত ভাৰতে ৮ টা সোণ, ১০ টা ৰূপ আৰু ৬ টা ব্ৰঞ্জৰ পদকেৰে পদক তালিকাৰ দ্বিতীয় স্থান দখল কৰে। প্ৰতিযোগিতাৰ শেষৰ দিনা আজি ভাৰতে তিনিটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মহিলাৰ ৪০০ মিটাৰ ৰিলেত ভাৰতীয় দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলাৰ ৫০০০ হাজাৰ মিটাৰ ৰিলেত পাৰুল চৌধুৰী আৰু পুৰুষৰ জেভলিন থ্ৰোত শচীন য়াদৱে ৰূপৰ পদক লাভ কৰে। অনিমেষ কুজুৰ আৰু পাৰুল চৌধুৰীয়ে নতুন ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰে।

০০০০০

সমাপ্ত